**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-09-2025 TIME-1340 HRS.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অৰ্থনৈতিক শক্তি হিচাপে ভাৰতৰ ক্ৰমাগতভাৱে বিকশিত হৈ অহা অৱস্থাৰ লগতে সাংস্কৃতিক শক্তি হিচাপে দেশখনৰ পৰিচয় শক্তিশালী কৰি তোলাৰ বাবে সমূহীয়া প্ৰয়াসৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

২। পাকিস্তানে ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ পৰিষদত ভাৰতৰ বিৰুদ্ধে ভিত্তিহীন আৰু উচতনিমূলক মন্তব্য প্ৰকাশ কৰি আন্তঃৰাষ্ট্ৰীয় মঞ্চখনৰ অপব্যৱহাৰ কৰা বুলি নতুন দিল্লীয়ে দেশখনক কঠোৰ ভাষাৰে সমালোচনা কৰিছে।

৩। সমাগত উৎসৱৰ বতৰৰ প্ৰতি লক্ষ্য ৰাখি ৰে’ল মন্ত্ৰালয়ে অহা ১ অক্টোবৰৰ পৰা ১৫ নৱেম্বৰৰ ভিতৰত দেশত মুঠ ১২ হাজাৰ বিশেষ ৰে’লগাড়ীৰ চলাচলৰ ব্যৱস্থা কৰিছে।

৪। প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত বৰ্তমানলৈ দুই কোটি ৮২ লাখতকৈও অধিক সংখ্যক গৃহৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈছে।

আৰু

৫। ভাৰত আজি পুৰুষৰ টি-২০ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ ফ’ৰ পৰ্যায়ৰ এখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অৰ্থনৈতিক শক্তি হিচাপে ভাৰতৰ ক্ৰমাগতভাৱে বিকশিত হৈ অহা অৱস্থাৰ লগতে সাংস্কৃতিক শক্তি হিচাপে দেশখনৰ পৰিচয় শক্তিশালী কৰি তোলাৰ বাবে সমূহীয়া প্ৰয়াসৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীৰ ললিত কলা একাডেমীত আয়োজন কৰা ৬৪ সংখ্যক ৰাষ্ট্ৰীয় কলা প্ৰদৰ্শনীৰ সৈতে সংগতি ৰাখি আয়োজন কৰা এটা অনুষ্ঠানত ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে সাংস্কৃতিক ঐতিহ্যক সমৃদ্ধিশালী কৰি তোলা আৰু সমাজখনক অধিক সংবেদনশীল কৰি তোলাৰ বাবে কলাক এবিধ শক্তিশালী মাধ্যম বুলি অভিহিত কৰে। ভাৰতীয় কলা-সংস্কৃতিৰ ক্ৰমাগতভাৱে উন্নতি সাধন হৈ অহাৰ লগতে ই নতুন উচ্চতা লাভ কৰিছে বুলিও তেওঁ মত প্ৰকাশ কৰে।

ললিত কলা একাডেমীয়ে এই বৰ্ষত শিল্পীসকলৰ শিল্পকৰ্ম বিক্ৰয়ৰ ব্যৱস্থা কৰা কাৰ্যত তেওঁ সন্তোষ প্ৰকাশ কৰে। তেওঁ কয়, যে ইয়াৰ জৰিয়তে শিল্পীসকলে আৰ্থিক দিশৰ পৰা সকাহ লাভ কৰাৰ লগতে দেশৰ সৃষ্টিশীল অৰ্থনীতিকো এই ব্যৱস্থাই শক্তিশালী কৰি তুলিব। এনে ব্যৱস্থাৰ ফলত শিল্পকৰ্মৰ উপযুক্ত মূল্য লাভ কৰি কেৱল যে শিল্পীসকলেই উৎসাহিত হ’ব সেইটো নহয়, বৰঞ্চ ইয়াৰ ফলত কলাক বৃত্তি হিচাপে গ্ৰহণ কৰিবলৈ আগ্ৰহ বোধ কৰা লোকসকলো সমানেই উৎসাহিত হ’ব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০০০০

———পাকিস্তানে ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ পৰিষদত ভাৰতৰ বিৰুদ্ধে ভিত্তিহীন আৰু উচতনিমূলক মন্তব্য প্ৰকাশ কৰি আন্তঃৰাষ্ট্ৰীয় মঞ্চখনৰ অপব্যৱহাৰ কৰা বুলি নতুন দিল্লীয়ে দেশখনক কঠোৰ ভাষাৰে সমালোচনা কৰিছে। ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ পৰিষদৰ ৬০ সংখ্যক বৈঠকত অংশগ্ৰহণ কৰি জেনেভাত থকা ভাৰতৰ স্থায়ী মিছনৰ কাউন্সিলৰ ক্ষিতিজ ত্যাগীয়ে কয়, যে পাকিস্তানে দখল কৰি ৰখা ভাৰতীয় ভূমি খালী কৰি দিয়াৰ লগতে ইয়াৰ অধিকাৰ বাহাল ৰখাৰ বাবে যুঁজি থকাৰ পৰিৱৰ্তে সম্প্ৰতি অতিশয় নিশকতীয়া হৈ পৰা নিজ দেশৰ অৰ্থনীতিৰ পুনৰুদ্ধাৰৰ প্ৰতিহে গুৰুত্ব আৰোপ কৰা উচিত। দেশখনে সন্ত্ৰাসবাদ ৰপ্তানিৰ পথৰ পৰা আঁতৰি অহাৰ উপায় উদ্ভাৱনৰ চেষ্টা কৰাটো অধিক প্ৰয়োজনীয় বুলিও তেওঁ মত প্ৰকাশ কৰে।

০০০০০০০০০

সমাগত উৎসৱৰ বতৰৰ প্ৰতি লক্ষ্য ৰাখি ৰে'ল মন্ত্ৰালয়ে অহা ১ অক্টোবৰৰ পৰা ১৫ নৱেম্বৰৰ ভিতৰত দেশত মুঠ ১২ হাজাৰ বিশেষ ৰে'লগাড়ীৰ চলাচলৰ ব্যৱস্থা কৰিছে। ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি নতুন দিল্লীত এই কথা প্ৰকাশ কৰে।

সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীবৈষ্ণৱে লগতে দেশত দুখন বন্দে ভাৰত শ্লিপাৰ ৰে'লগাড়ী মুকলি কৰা হ'ব বুলিও জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে এই দুখন ৰে'লগাড়ীৰ ভিতৰত প্ৰথমখনে সকলো পৰীক্ষা আৰু পৰীক্ষামূলক যাত্ৰা সফলতাৰে সম্পন্ন কৰিছে আৰু দ্বিতীয়খনে অহা মাহৰ মাজভাগৰ ভিতৰত পৰীক্ষামূলক যাত্ৰা সম্পূৰ্ণ কৰিব। এই ৰে'লগাড়ী দুখনৰ প্ৰতিখনতে ১৬টাকৈ ডবা থাকিব বুলি তেওঁ প্ৰকাশ কৰে। এচি-ফাৰ্ষ্ট ক্লাছ, এচি-টু টায়াৰ আৰু এচি-থ্ৰী টায়াৰ ডবা থাকিবলগীয়া এই ৰে'লগাড়ী দুখনৰ প্ৰতিখনতে এবাৰত মুঠ এহেজাৰ ১২৮ গৰাকী যাত্ৰীয়ে যাত্ৰা কৰিব পাৰিব। ৰে'লগাড়ী দুখনৰ সৰ্বাধিক গতিবেগ ঘণ্টাত ১৮০ কিলোমিটাৰ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

পঞ্জাৱৰ বান পৰিস্থিতি এতিয়া কিছু সুস্থিৰ হৈছে। ৮২০০ৰো অধিক ক্ষতিগ্ৰস্ত লোকৰ বাবে স্থাপন কৰা ২১9টা আশ্ৰয় শিবিৰৰ সকলো শিবিৰ বন্ধ কৰা হৈছে আৰু ক্ষতিগ্ৰস্ত লোকসকল ঘৰলৈ উভতি গৈছে । চৰকাৰী সূত্ৰ অনুসৰি, বানৰ বাবে ৰাজ্যখনত ৫৭ জন লোকৰ মৃত্যু হয়। লগতে সমগ্ৰ ৰাজ্যখনৰ বিশেষকৈ সীমান্তৱৰ্তী জিলাসমূহত প্ৰায় ৪ লাখ লোক প্ৰভাৱিত হয় আৰু বানৰ ফলত ২৫৫৫খন গাঁৱৰ প্ৰায় ২ লাখ হেক্টৰ কৃষিভূমিত থকা শস্যৰ ক্ষতি হয়। ৰাজ্যখনত বানৰ ফলত হোৱা পশুধনৰ ক্ষতিৰ মূল্যায়ন এতিয়াও কৰা হোৱা নাই।

০০০০০

প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত বৰ্তমানলৈ দেশত দুই কোটি ৮২ লাখতকৈও অধিক সংখ্যক গৃহৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈছে। কেন্দ্ৰীয় চৰকাৰে এই কথা প্ৰকাশ কৰি কয়, যে গ্ৰামাঞ্চলত সকলোৰে বাবে গৃহৰ ব্যৱস্থা কৰাৰ উদ্দেশ্যৰে ২০১৬ চনত এই আঁচনি আৰম্ভ কৰা হৈছিল। এই আঁচনিৰ অধীনত গাঁৱলীয়া এলেকাত বসবাস কৰা যোগ্যতাসম্পন্ন প্ৰতিটো পৰিয়ালৰ বাবে মৌলিক সা-সুবিধাসম্পন্ন একোটা পকীঘৰ নিৰ্মাণৰ ক্ষেত্ৰতো সহায় আগবঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰধানমন্ত্ৰীৰ স্মৃতিচিহ্নৰ ই-নিলাম ব্যৱস্থাৰ সপ্তম সংস্কৰণত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ নাগৰিকসকলক আহ্বান জনাইছে। উল্লেখযোগ্য যে pmmementos.gov.in ৱেব ছাইটৰ জৰিয়তে সম্প্ৰতি চলি থকা এই ই-নিলাম ব্যৱস্থাৰ অহা ২ অক্টোবৰত সামৰণি পৰিব। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে এনেদৰে নিলাম চলি থকা সামগ্ৰীসমূহৰ ভিতৰত দেশৰ সংস্কৃতি আৰু সৃষ্টিশীলতাৰ নিদৰ্শন দাঙি ধৰা ভালেমান অতি সুন্দৰ সামগ্ৰীও আছে। উল্লেখযোগ্য যে চলিত বৰ্ষত এই ই-নিলাম ব্যৱস্থাই সামৰি লোৱা সামগ্ৰীসমূহৰ ভিতৰত দেশৰ ভিন ভিন স্থানৰ এহেজাৰ ৩০০ বিধতকৈও অধিক একক পৰিচয়ৰ সামগ্ৰীয়ে স্থান লাভ কৰিছে। এই নিলাম ব্যৱস্থাৰ জৰিয়তে সংগৃহিত ধন 'নমামী গংগে প্ৰকল্প'ৰ নামত ব্যয় কৰা হ'ব।

০০০০০০০০০

পঞ্জাৱৰ ৰাজ্যপাল গুলাব চান্দ কাটাৰীয়াই কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি পাকিস্তানৰ সীমান্তৰ সুৰক্ষা আৰু উন্নয়নমূলক কাম-কাজৰ বিষয়ে আলোচনা কৰে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে ৰাজ্যখনৰ বিশেষকৈ সীমামূৰীয়া জিলাসমূহত যুৱ চামৰ বাবে কৰ্ম সংস্থাপনৰ সুযোগ সৃষ্টি কৰাৰ প্ৰয়োজনৰ বিষয়টোৰ প্ৰতি ৰাজ্যপালগৰাকীয়ে শ্ৰী মোদীৰ দৃষ্টি আকৰ্ষণ কৰে। এই উদ্দেশ্যৰে এনে সংবেদনশীল অঞ্চলসমূহত ঔদ্যোগিক প্ৰতিষ্ঠান গঢ়ি তোলাৰ বাবে উদ্যোগসমূহক উৎসাহিত কৰাৰ হকেও তেওঁ পৰামৰ্শ আগবঢ়ায়। তদুপৰি সীমামূৰীয়া অঞ্চলসমূহত ড্ৰোণ প্ৰতিৰোধী ব্যৱস্থা আৰু উচ্চমানৰ কেমেৰা সংস্থাপনৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় সীমান্তত পহৰাৰ ব্যৱস্থা অধিক কটকটীয়া কৰি তোলাৰ বিষয়তো তেওঁ গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰীৰ সৈতে হোৱা ৰাজ্যপাল শ্ৰী কাটাৰীয়াৰ এই বৈঠকত তাৎক্ষণিক বান সাহায্যৰ পৰা আৰম্ভ কৰি আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ দীৰ্ঘকালীন উন্নয়ন, নিৰাপত্তা সম্পৰ্কীয়

সক্ৰিয়তা, শৈক্ষিক সংস্কাৰ, সামাজিক-সাংস্কৃতিক দিশৰ কাৰ্যব্যৱস্থা আৰু অৰ্থনৈতিক উন্নয়নকে ধৰি ভালেমান প্ৰসংগই স্থান লাভ কৰে।

০০০০০০০০০

**আজি আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে দিনৰ ৩.০২ বজাত সেৱাপৰ্ব উপলক্ষে প্ৰতিৰক্ষা ক্ষেত্ৰত আত্মনিৰ্ভৰশীল ভাৰত শীৰ্ষক এটি আলোচনা আগবঢ়াব। ইয়াত ভাগ লব অৱসৰ প্ৰাপ্ত ব্ৰিগেডিয়াৰ পলাশ চৌধুৰী আৰু ৰাজীৱ লোচন বৰঠাকুৰে।**

০০০০০০০০০

ভাৰত আজি পুৰুষৰ টি-২০ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত ডুবাই ক্ৰিকেট ষ্টেডিয়ামত খেলোৱা হ'ব। আজিৰ খেলত জয়লাভ কৰা দলটোৱে প্ৰতিযোগিতাৰ ফাইনেলত স্থান লাভ কৰাটো নিশ্চিত হ'ব। উল্লেখযোগ্য যে আজিৰ খেলত ভাগ ল'বলগীয়া দুয়োটা দলেই ছুপাৰ ফ'ৰ পৰ্যায়ৰ নিজৰ নিজৰ প্ৰথম খেলত ইতিমধ্যে জয়লাভ কৰিছে। ভাৰতে এই পৰ্যায়ৰ প্ৰথমখন খেলত পাকিস্তানক পৰাভূত কৰি প্ৰতিযোগিতাত প্ৰতিদ্বন্দ্বী দলটোৰ বিৰুদ্ধে দ্বিতীয়বাৰৰ বাবে বিজয় সাব্যস্ত কৰে। বাংলাদেশে ছুপাৰ ফ'ৰ পৰ্যায়ৰ প্ৰথমখন খেলত শ্ৰীলংকাক পৰাস্ত কৰে।

যোৱানিশা সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ আবু ধাবিৰ শ্বেইখ জায়েদ ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত পাকিস্তানে শ্ৰীলংকাক ৫ উইকেটত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি শ্ৰীলংকাই নিৰ্ধাৰিত ২০ অ'ভাৰত ৮টা উইকেট হেৰুৱাই ১৩৩ ৰান কৰে। প্ৰত্যুত্তৰত পাকিস্তানে ১৮ অ'ভাৰত ৫টা উইকেটৰ বিনিময়ত বিজয় লক্ষ্য অতিক্ৰম কৰে। পাকিস্তানৰ হুছেইন তালাটক প্লেয়াৰ অব্ দা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০০

নতুন দিল্লীৰ টুঘলকাবাদৰ ড° কাৰ্নি সিং শ্যুটিং ৰেঞ্জত কাইলৈ আই এছ এছ এফ জুনিয়ৰ বিশ্বকাপ ৰাইফল/ পিষ্টল / শ্বটগান প্ৰতিযোগিতা আৰম্ভ হ'ব। অহা ২ অক্টোবৰত সামৰণি পৰিবলগীয়া এই প্ৰতিযোগিতাত অলিম্পিকত অন্তৰ্ভুক্ত ১৫টা আৰু অলিম্পিকত অন্তৰ্ভুক্ত নোহোৱা দুটা শিতানত খেলুৱৈসকলে প্ৰতিযোগিতাত ভাগ ল'ব। মুঠ ৫১টা পদকৰ ব্যৱস্থা থকা এই প্ৰতিযোগিতাত ১৮ খন দেশৰ ২০৮ গৰাকী যুৱ খেলুৱৈয়ে অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাত আয়োজক দেশ ভাৰতৰ হৈ ৬৯ গৰাকী খেলুৱৈয়ে অংশ ল'ব।

এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলগীয়া দেশসমূহৰ ভিতৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ২০ গৰাকী, ইটালীৰ ১০, ইৰাণৰ ৮, ক্ৰৱেছিয়াৰ ৮, সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ ৫, শ্লোভাকিয়াৰ ৫, কাটাৰৰ ৪, ওমানৰ ৪, স্পেইনৰ ৮, ফিনলেণ্ডৰ ৩, নেডাৰলেণ্ডছৰ ৩, চাইপ্ৰাছৰ ৩, নিউজিলেণ্ডৰ ২, ছৌদি আৰবৰ দুগৰাকী খেলুৱৈ আছে। প্ৰতিযোগিতাত ৪০ গৰাকী খেলুৱৈয়ে গাইগুটীয়াকৈ ভাগ ল'ব।

০০০০০০০

সমাপ্ত